**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI

**Date :** 25-12-2024 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

আজি পবিত্ৰ বৰদিন। যীশু খ্ৰীষ্টৰ জন্মদিন উপলক্ষে পালন কৰা এই উৎসৱত খ্ৰীষ্টধৰ্মী লোকসকলে নিজৰ উপাসনাস্থলী গীৰ্জাঘৰত সমবেত হৈ ধৰ্মীয় ৰীতি-নীতি আৰু পৰম্পৰাৰ মাজেৰে বৰদিন উদযাপন কৰিছে। যোৱা নিশাৰ পৰাই কেৰলৰ ধ্বনি আৰু মনোমোহা আলোকসজ্জাৰে প্ৰতিটো গীৰ্জা মুখৰিত হৈ উঠিছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত থকা গীৰ্জাঘৰসমূহত যোৱা নিশা প্ৰাক-বৰদিন প্ৰাৰ্থনা সভা অনুষ্ঠিত হয়। গুৱাহাটীৰ পাণবজাৰত থকা খ্ৰীষ্ট চাৰ্চ, ব্যাপ্তিষ্ট চাৰ্চ, কাহিলীপাৰা, চানমাৰি, খানাপাৰা আদি স্থানত থকা গীৰ্জাঘৰসমূহত আজি দুপৰীয়া আৰু সন্ধিয়া বৰদিনৰ সমূহীয়া প্ৰাৰ্থনা অনুষ্ঠিত হ'ব। নিশালৈ ঠায়ে ঠায়ে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হৈছে। ধুবুৰী জিলাৰ বিভিন্ন স্থানত খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলে ব্যাপক উৎসাহ-উদ্দীপনাৰে বৰদিন পালন কৰিছে। এই উপলক্ষে কালিৰেপৰা গীৰ্জাসমূহৰ লগতে নিজ নিজ বাসগৃহসমূহ ৰং-বিৰঙৰ আলোকসজ্জাৰে সজ্জিত কৰি তুলিছে। জিলাখনৰ কোনো কোনো ঠাইত ধৰ্মীয় কাৰ্যসূচীৰ লগতে সংগতি ৰাখি প্ৰতিবছৰৰ দৰে এইবাৰো বৰদিন উপলক্ষে ভোজভাতৰ আয়োজন কৰাৰ লগতে মিঠাই, পিঠা-পনা আদি বিতৰণ কৰা হৈছে।

গোৱালপাৰা জিলাৰ ৰাংছাপাৰা, চিৰাং জিলাৰ ছাপাগুৰি, কাজলগাঁও, বাসুগাঁও, বেংতল, বামুণগাঁও, ৰুণীখাটা, শান্তিপুৰ, বিজনী আদি অঞ্চলতো বৰদিনৰ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

আৰক্ষী প্ৰশাসনে বৰদিনৰ সময়ত যাতে কোনোধৰণৰ অসুবিধা নহয় তাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। অসমৰ লগতে মেঘালয় আৰু খ্ৰীষ্টধৰ্মী লোকৰ প্ৰাধান্য থকা মিজোৰামকে ধৰি চুবুৰীয়া ৰাজ্যকেইখনতো পবিত্ৰ বৰদিন উপলক্ষে ব্যাপক উৎসাহৰ সৃষ্টি হৈছে।

ooooooo

দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জয়ন্তী উপলক্ষে আজি সমগ্ৰ দেশতে সু-শাসন দিৱস পালন কৰা হৈছে। এই দিৱসৰ অংশস্বৰূপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মধ্য প্ৰদেশ ভ্ৰমণ কৰি খাজুৰাহোত একাধিক উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে ৰাষ্ট্ৰীয় দৃষ্টিভংগী পৰিকল্পনাৰ অধীনত দেশৰ প্ৰথমটো আন্তঃসংযোগ প্ৰকল্প কেন-বেট্‌ৱা নদী সংযোগী ৰাষ্ট্ৰীয় প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

ভাৰত ৰত্নৰে সন্মানিত ৰাজনীতিবিদগৰাকীক শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে অসমতো ৰাজ্য চৰকাৰৰ উদ্যোগত সু-শাসন দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। সেই অনুসৰি মহানগৰীৰ আদাবাৰীত থকা অটল উদ্যানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অটল স্মৃতি মূৰ্তি আৰু দ্বাৰ আনুষ্ঠানিকভাৱে উন্মোচন কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে বাজপেয়ীৰ জীৱন আৰু কৰ্মৰাজি তথা দেশৰ প্ৰতি তেওঁৰ অৱদানৰ বিষয়বস্তুক লৈ এখন প্ৰদৰ্শনী মুকলি কৰে। ড° শৰ্মাই ইয়াৰ পূৰ্বে পুৱাৰ ভাগত বেলতলাৰ বিজেপিৰ ৰাজ্যিক কাৰ্যালয়ত সু-শাসন দিৱসৰ আন এটা কাৰ্যসূচীত অংশ লয়।

oooooo

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি শদিয়াৰ চপাখোৱাত আয়োজিত শীতপৰ্ব অনুষ্ঠানত অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিয়লিৰ ভাগলৈ মাৰ্ঘেৰিটা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীত ভাগ ল'ব।

oooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ইংৰাজী ২০২৪ বৰ্ষৰ সমাপ্তি উপলক্ষে কেইটামান বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। সেই অনুসৰি অহা ২৮ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত সমাজৰ নিঃস্ব, আৰ্তজন আৰু অমাতৰ হৈ নীৰৱে কাম কৰি যোৱা তিনিগৰাকী ব্যক্তিৰ বছৰটোৰ সামৰণিৰ উপলব্ধি প্ৰচাৰ কৰা হ'ব। ৩১ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত দেশ-বিদেশৰ ৰাজনীতি-সমাজনীতি, ক্ৰীড়া, সংস্কৃতি, সাহিত্য জগতৰ উল্লেখযোগ্য ঘটনাৱলীৰ বছৰজোৰা আলোকপাতৰ এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ ষ্টুডিঅ'ত সাংবাদিক, চলচ্চিত্ৰ সমালোচক আৰু ৰাজনৈতিক পৰ্যবেক্ষক উপস্থিত থাকি বছৰটোৰ উল্লেখযোগ্য ঘটনাৱলীৰ পৰ্যালোচনা আগবঢ়াব।

ooooooo

নৱবৰ্ষৰ প্ৰাক্‌ক্ষণত পথ দুৰ্ঘটনাৰ সংখ্যা হ্ৰাস কৰাৰ বাবে ৰাজ্য চৰকাৰে জাৰি কৰা নিৰ্দেশনা অনুসৰি তিনিচুকীয়া জিলা প্ৰশাসনে সুৰাপায়ী চালকৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছে। জিলাখনৰ শদিয়া, মাৰ্ঘেৰিটা, তিনিচুকীয়া, ডুমডুমা, ডিগবৈকে ধৰি বিভিন্ন স্থানত জিলা প্ৰশাসনে আবকাৰী বিভাগৰ সহযোগত হেলমেট পৰিধান নকৰা আৰু যান-বাহন আইন ভংগকাৰীৰ বিৰুদ্ধেও কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

oooooooo

ৰাজ্যৰ ৰবি শস্যৰ খেতি কৰা কৃষকক ফচলৰ বীমা সময় অনুসৰি পঞ্জীয়ন কৰিবলৈ কৃষি বিভাগে আহ্বান জনাইছে। সেই অনুসৰি মাকৈ, সৰিয়হ আৰু আলুৰ বাবে অহা ৩১ ডিচেম্বৰৰ ভিতৰত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত কৃষকসকলে পঞ্জীয়ন কৰিব পাৰিব। আনহাতে বৰো ধান আৰু কুঁহিয়াৰৰ খেতি কৰা কৃষকসকলে অহা ১৫ ফেব্ৰুৱাৰীৰ ভিতৰত বীমাৰ পঞ্জীয়ন কৰিব পাৰিব বুলি কৃষি বিভাগে জনাইছে। উল্লেখযোগ্য যে বান, খৰাং আদিৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ লগতে বিভিন্ন ৰোগ বা পোক-পৰুৱাৰ আক্ৰমণৰ ফলত শস্যভূমিৰ ক্ষতি হ'লে ৰাজ্যৰ কৃষকসকলক কৃষি বিভাগে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত ক্ষতিপূৰণ আগবঢ়াব। কেন্দ্ৰীয় চৰকাৰৰ এই আঁচনিৰ অধীনত ৰবি শস্যৰ খেতি কৰা কৃষকসকলে বীমাৰ জৰিয়তে ক্ষতিগ্ৰস্ত শস্যৰ উচিত ক্ষতিপূৰণ পাবলৈ সমৰ্থ হ'ব। এই বিষয়ে সবিশেষ জানিবলৈ কৃষকসকলে নিজ নিজ জিলাৰ কৃষি বিষয়াৰ কাৰ্যালয়, জনসেৱা কেন্দ্ৰ নাইবা সংশ্লিষ্ট বীমা সংস্থাৰ সৈতে যোগাযোগ কৰিব পাৰিব।

oooooo

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ৫ খন ৰাজ্যত নতুন ৰাজ্যপাল নিযুক্তি দিছে। মিজোৰামৰ ৰাজ্যপাল ডঃ হৰিবাবু কাম্ভমপতিক ওড়িশাৰ নতুন ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। উল্লেখযোগ্য যে ওড়িশাৰ বৰ্তমানৰ ৰাজ্যপাল ৰঘুবৰ দাসৰ পদত্যাগৰ পাছতে ডঃ হৰিবাবু কাম্ভপমতিক এই দায়িত্ব প্ৰদান কৰা হৈছে। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী জেনেৰেল বিজয় কুমাৰ সিঙক মিজোৰামৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। আনহাতে, বিহাৰৰ ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লেকাৰক কেৰালাৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। একেদৰে প্ৰাক্তন গৃহ সচিব অজয় কুমাৰ ভাল্লাক মণিপুৰৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে।

ooooooo

সমাপ্ত